**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 07-12-2025 **Time :** 1100 Hrs.

0000000000

অসম বিষয়ক জ্ঞানেৰে শিক্ষাৰ্থীৰ উত্তৰণত গুৰুত্ব আৰোপ কৰি ৰাজ্যিক মন্ত্ৰীসভাই সকলো প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ষষ্ঠ, সপ্তম আৰু অষ্টম শ্ৰেণীত বাধ্যতামূলক বিষয় হিচাপে বুৰঞ্জী আৰু ভূগোল বিষয় দুটা অন্তৰ্ভুক্তিৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকৰ অন্তত এখন সংবাদমেলত মুখ্যমন্ত্ৰীয়ে মন্ত্ৰীসভাৰ আন কেতবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা উল্লেখ কৰি কয়, যে ৰাজ্যিক মন্ত্ৰীসভাই বৰাক উপত্যকাত বিমান যোগাযোগ ব্যৱস্থাৰ প্ৰসাৰৰ হকে শিলচৰৰ ডলু চাহ বাগিচাত গ্ৰীণ ফিল্ড বিমানবন্দৰ নিৰ্মাণৰ বাবে ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণলৈ ৩ হাজাৰ বিঘা ভূমি হস্তান্তৰত অনুমোদন জনাইছে। এই সিদ্ধান্তৰ ফলত বিমানবন্দৰটো নিৰ্মাণৰ ক্ষেত্ৰত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ অনুমোদন লাভৰ পথ প্ৰশস্ত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

বাইট

মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ এহেজাৰ ২০০ পৰিয়ালক ভূমি পট্টা প্ৰদান কৰাৰ সিদ্ধান্ততো কালি মন্ত্ৰীসভাই অনুমোদন জনায়।

মন্ত্ৰীসভাই কাৰ্বি আংলং জিলাৰ লংভাকুত ৰাজ্যৰ দ্বিতীয়খন সৈনিক বিদ্যালয় স্থাপনৰ বাবে প্ৰশাসনিক অনুমোদন দিয়ে। ৩৩৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ হ'বলগীয়া সৈনিক বিদ্যালয়খনৰ মুঠ নিৰ্মাণ ব্যয়ৰ ৮০ শতাংশ প্ৰতিৰক্ষা মন্ত্ৰালয়ে আৰু ২০ শতাংশ ধন অসম চৰকাৰে গ্ৰহণ কৰিব। কালিৰ বৈঠকত ডিমা হাছাও জিলাত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সময়ত ভূমি অধিগ্ৰহণ কৰা ৮৮৪টা পৰিয়ালক ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই গুৱাহাটীৰ অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ চৌহদত ২৪৩ কোটি ৬৬ লাখ টকা ব্যয়ৰে বিমান ক্ষেত্ৰ আৰু প্ৰতিৰক্ষা, মটৰগাড়ী আৰু বৈদ্যুতিক বাহন উদ্যোগৰ এটা উৎকৰ্ষ কেন্দ্ৰ স্থাপনত অনুমোদন জনায়।

০০০০০০০০

২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক ডঃ বাণীকান্ত কাকতি মেধা বঁটা আঁচনিৰ অধীনত আজি স্কুটাৰ প্ৰদান কৰা হ'ব। এইবাৰ এই বঁটা লাভ কৰা ১১ হাজাৰ ২৫০ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৬ হাজাৰ ৮৬০ গৰাকী ছাত্ৰী আৰু ৪ হাজাৰ ৩৯০ গৰাকী ছাত্ৰ আছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কিছু সময়ৰ পাছতে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ সুবিধা লাভ কৰা ছাত্ৰীয়ে এই বঁটা লাভ নকৰে।

০০০০০০০

স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আজি ৭১ খন পৌৰসভাৰ ৬৬৪ গৰাকী প্ৰাদেশিকীকৃত পৌৰ কৰ্মচাৰী আৰু নগৰ তথা গাঁও পৰিকল্পনা সঞ্চালকালয়ৰ ৮ গৰাকী সহকাৰী সঞ্চালকক নিযুক্তি পত্ৰ প্ৰদান কৰিব। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ২ বজাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব।

ইপিনে অসম আৰক্ষী আৰু গৃহ বিভাগত নিযুক্তি লাভ কৰা চাহ জনজাতিৰ ১২০ গৰাকী প্ৰাৰ্থীক আজি বিয়লি জনতা ভৱনত আয়োজিত এটা অনুষ্ঠানত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০০

গোৱাৰ নৈশ ক্লাবত পৰহি নিশা সংঘটিত অগ্নিকাণ্ডত ধেমাজিৰ এজন যুৱকৰ মৃত্যু হয়। মৃত যুৱকজন জিলাখনৰ জামুকনি গাঁৱৰ দিগন্ত পাটিৰ বুলি জানিব পৰা গৈছে। ২৫ গৰাকী লোকে এই বিধবংস অগ্নিকাণ্ডত প্ৰাণ হেৰুওৱা অসমৰ তিনিজন লোকৰ মাজত ধেমাজিৰ এই যুৱকজনো আছিল।

আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে কামৰ সন্ধানত গোৱালৈ যোৱা দিগন্ত পাটিৰে গোৱাৰ এটা নৈশ ক্লাবত ৰান্ধনীৰ কামত নিয়োজিত হৈ আছিল।

০০০০০০০

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবীত নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ উদ্যোগত কালি সন্ধিয়া গোৱালপাৰা জিলাৰ আগিয়াত জোঁৰ সমদল উলিওৱা হয়। তিনিটা ৰাভা সংগঠনে দীৰ্ঘদিনৰ পৰাই ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদক ষষ্ঠ অনুসচীত অন্তৰ্ভুক্ত কৰাৰ দাবী জনাই আহিছে। সমাগত ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰি ৰাভা হাছং পৰিষদক ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাৰ দাবী জনাই এই কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০০০

**সমাপ্ত**